**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
*Headlines*

১। কেন্দ্ৰীয় কেবিনেটৰ প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাকে ধৰি চৰকাৰৰ সকলো আঁচনিৰ অধীনত বিনামূলীয়া পুষ্টিকৰ চাউল যোগান অব্যাহত ৰখাত অনুমোদন।

২। শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী উপলক্ষে বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি চিৰাং আৰু কোকৰাঝাৰৰ বিভিন্ন পূজাথলীত সেৱা গ্ৰহণ।

৩। অসম ডাক পৰিমণ্ডলৰ ডাক সেৱা, জন সেৱা শীৰ্ষক বিষয়বস্তুৰে ৰাষ্ট্ৰীয় ডাক সপ্তাহ পালন।

৩। প্ৰসিদ্ধ উদ্যোগপতি ৰতন টাটাৰ যোৱানিশা মুম্বাইত দেহাৱসান।

**আৰু**

৫। ডুবাইত অনুষ্ঠিত মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ এখন খেলত শ্ৰীলংকাক ৮২ ৰানত পৰাস্ত কৰি ভাৰতৰ অগ্ৰগতি।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনা আৰু অন্যান্য কল্যাণকামী আঁচনিকে ধৰি চৰকাৰৰ সকলো আঁচনিৰ অধীনত বিনামূলীয়া পুষ্টিকৰ চাউলৰ যোগান জুলাইৰ ২০২৪ৰ পৰা ডিচেম্বৰ ২০২৮ লৈ অব্যাহত ৰখাত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অংশ হিচাপে ভাৰত চৰকাৰৰ এশ শতাংশ পুঁজিৰে এই পুষ্টিকৰ চাউলৰ যোগানৰ পদক্ষেপ অব্যাহত থাকিব। এই অনুসৰি দেশত পুষ্টি সুৰক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ৭৫ সংখ্যক স্বাধীনতা দিৱসত দিয়া ভাষণৰ লগতে সংগতি ৰাখি দেশত ৰক্তহীনতা আৰু অপুষ্টি দূৰ কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ২০১৯ চনৰ পৰা ২০২১ চনৰ ভিতৰত কৰা ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা অনুসৰি ভাৰতত ৰক্তহীনতাই সমাজৰ ব্যাধি হৈ আছে, যি বিভিন্ন বয়সৰ শিশু, মহিলা আৰু পুৰুষক আক্ৰান্ত কৰিছে। এই ৰক্তহীনতাৰ বিৰুদ্ধে যুঁজ দিবলৈ পুষ্টিকৰ চাউলৰ বিতৰণৰ পদক্ষেপ লোৱা হৈছে।

**ভইচ (অশ্বিনী বৈষ্ণৱ)**

০০০০০০০

শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী উপলক্ষে বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। কালি ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ পাছত পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে। পূজাথলীসমূহত পুৱাৰেপৰাই বহুলোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ সজোৱা পূজা মণ্ডপসমূহ নানাৰঙী আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। পূজাৰ মন্ত্ৰোচাৰণ, আয়তীৰ উৰুলি, ঢাক-শংখধবনীয়ে মাংগলিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। লোকবিশ্বাস অনুসৰি দেৱী দুৰ্গাক আবাহন আৰু বোধনৰ জৰিয়তে অশুভ শক্তিৰ বিনাশ কৰা হয়। আনহাতে, বিভিন্ন অপায়-অমংগল, দুৰ্যোগ বিভীষিকা নাশ কৰি শান্তি আৰু সমৃদ্ধিৰ প্ৰাৰ্থনাৰে ভক্তসকলে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়। সপ্তমীৰ দিনটোত দেৱী দুৰ্গাক কালৰাত্ৰিৰ ৰূপত আৰাধনা কৰা হয়।

**গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজাথলীসমূহৰ লগতে দোকান-বজাৰসমূহতো অগণন লোকৰ সমাগম পৰিলক্ষিত হৈছে। মহানগৰীৰ ভাস্কৰ নগৰ পূজা সমিতিয়ে জগন্নাথ পুৰী, আঠগাঁও পূজা সমিতিয়ে মহাভাৰতৰ ইন্দ্ৰপ্ৰস্থ, পাণ্ডুৰ ৰেষ্ট কেম্প পূজা সমিতিয়ে জয়পুৰ দুৰ্গ আদিৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে জনসাধাৰণক আকৰ্ষণ কৰিছে।

ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হৈছে। ৰাজহুৱা পূজাৰ লগতে ব্যক্তিগতভাৱেও ভালেসংখ্যক পূজাৰ আয়োজন কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি **চিৰাং** জিলাৰ তিনিখনকৈ পূজা মণ্ডপত উপস্থিত থাকি দেৱীৰ আশিস লোৱাৰ লগতে সন্ধিয়ালৈ জিলাখনৰ ইতিহাস প্ৰসিদ্ধ বিজনী চহৰত নিৰ্মাণ কৰা লক্ষ্মী মন্দিৰ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি চিৰাঙৰ বাসুগাঁও চহৰৰ পূজাথলীত উপস্থিত হৈ পৰৱৰ্তী সময়ত বঙাইগাঁও চহৰৰ কেইবাখনো পূজা মণ্ডপলৈ যাব।

**বজালী** জিলাৰ বিভিন্ন অঞ্চলৰ লগতে গড় বজাৰত পাঁচদিনীয়া কাৰ্যসূচীৰে পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ কাৰ্যসূচীৰ অংশ হিচাপে দিহানাম প্ৰতিযোগিতা নৃত্যানুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

**বৰপেটা** জিলাত কালিৰেপৰা পূজাথলীসমূহত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি সন্ধিয়া বৰপেটা ৰোডৰ দুখন পূজা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে বৰপেটা ৰোড ৰে'ল ষ্টেচন আৰু শক্তিনগৰৰ দুৰ্গা পূজাৰ উদ্বোধন কৰি দেৱীৰ চৰণত সেৱা জনাই পূজাৰ অন্তৰ্নিহিত উদ্দেশ্যই সমাজত শান্তি-সম্প্ৰীতি আৰু একতাৰ বান্ধোন সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

**চৰাইদেউ** জিলাত দুৰ্গা পূজাক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। জিলাখনৰ সোণাৰি নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলত মুঠ ১০৩ খন পূজা অনুষ্ঠিত হৈছে। বিভিন্ন স্থানত নিৰ্মাণ কৰা দৃষ্টিনন্দন মণ্ডপসমূহে সকলোকে আকৰ্ষিত কৰিছে। এই বিষয়ে আমাৰ সংবাদদাতা নবুল কোঁৱৰৰ এক প্ৰতিবেদন –

(ভইচ)

**বাক্সা** জিলাৰ চাপাগুৰি আৰু ককলাবাৰী মৌজাক সামৰি স্থাপিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকুঁজিদেওৰ দেৱালয়ত কালিৰেপৰা শাৰদীয় পূজা অনুষ্ঠিত হৈছে। এই উপলক্ষে স্বচ্ছতা অভিযান, মুখ্য দ্বাৰ উদ্ঘাটন, পতাকা উত্তোলন আৰু গছপুলি ৰোপণ কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ শাৰদীয় পূজাৰ সপ্তমী উপলক্ষে আজি পুৱাৰে পৰাই উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এইবেলি জিলাখনত ১৩৬ খন পূজা মণ্ডপত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰংজুলি পূজা সমিতিয়ে বিজয়া দশমীৰ দিনা পূৰ্বৰ দৰে ৰাৱণ বধৰ কাৰ্যসূচী গ্ৰহণ কৰিব। এই সন্দৰ্ভত অধিক জানিবৰ বাবে আমাৰ সংবাদদাতা ৰছিদুল হুছেইনৰ ওচৰলৈ যাব বিচাৰিছো।

(ভইচ)

মৰিগাঁও জিলাৰ পূজাৰ উৎসাহ-উদ্দীপনাৰ বিষয়ে আমাৰ সংবাদতাতা ডালিম ফুকনে এইদৰে কয়-

(ভইচ)

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ধলা-শদিয়া সংযোগ কৰা ড০ ভূপেন হাজৰিকা সেতুৰ সৌৰচালিত আলোকিতকৰণ প্ৰকল্প উদ্বোধন কৰে। এই প্ৰকল্প অনুসৰি এ পি ডি চি এলে ধলা-শদিয়া সেতুত সৌৰশক্তিৰে বিদ্যুতৰ যোগান ধৰিব।

**ভইচ**

০০০০০০

অসম ডাক পৰিমণ্ডলে ডাক সেৱা, জন সেৱা শীৰ্ষক বিষয়বস্তুৰে  ৰাষ্ট্ৰীয় ডাক সপ্তাহ পালন কৰিছে। ডাক সপ্তাহৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে বুলি অসম পৰিমণ্ডলৰ ডাক সেৱাৰ সঞ্চালক অভিষেক জৈনে প্ৰকাশ কৰিছে। ডাক সপ্তাহৰ অংশ হিচাপে কালি বিশ্ব ডাক দিৱস পালন কৰাৰ লগতে আজি অন্ত্যোদয়া দিৱস পালন কৰা হ'ব। আনহাতে, কাইলৈ বিত্ত সৰলীকৰণ দিৱস উদযাপনেৰে এই ডাক সপ্তাহৰ অন্ত পৰিব। আন্তঃৰাষ্ট্ৰীয় স্তৰত ডাক আদান-প্ৰদান কৰা ব্যৱস্থাক পৰিচালনা কৰা সাৰ্বজনীন ডাক সংঘৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱাটো ৰাষ্ট্ৰীয় ডাক সপ্তাহৰ অন্যতম দিশ বুলি উল্লেখ কৰি সঞ্চালকগৰাকীয়ে অসমৰ জনসাধাৰণক ডাক ঘৰৰ সৈতে জড়িত হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ডাক বিভাগে চিঠি-পত্ৰ, সামগ্ৰী আদান-প্ৰদানৰ উপৰি একাউণ্ট মুকলি কৰা, বীমা, আধাৰ কাৰ্ড, পাৰপত্ৰ আদিৰ সুবিধা প্ৰদান কৰিছে।

(বাইট – অভিষেক জৈন)

০০০০০০০

প্ৰসিদ্ধ উদ্যোগপতি তথা লোকহিতৈষী ৰতন টাটাৰ যোৱানিশা মুম্বাইত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। তেওঁ যোৱা কিছুদিন ধৰি এখন ব্যক্তিগত হাস্পতালত চিকিৎসাধীন হৈ আছিল। টাটা ছন্সৰ অধ্যক্ষ এম চন্দ্ৰশেখৰনে এটা বিবৃতি যোগে ৰতন টাটাৰ মৃত্যুৰ কথা নিশ্চিত কৰিছে। প্ৰয়াত টাটাই ১৯৬২ চনত টাটা গোটত যোগদান কৰিছিল। গোটৰ বিভিন্ন কোম্পানীত সেৱা আগবঢ়োৱাৰ পাছত তেওঁক ১৯৭১ চনত নেচনেল ৰেডিঅ' এণ্ড ইলেকট্ৰনিকছ্ কোম্পানী লিমিটেডৰ মুৰব্বী হিচাপে  নিযুক্তি দিয়া হৈছিল। ১৯৮১ চনত তেওঁক টাটা ইণ্ডাষ্ট্ৰিজৰ অধ্যক্ষ হিচাপে নিয়োগ কৰা হৈছিল। তেওঁ ১৯৯১ চনৰ পৰা ২০১২ চনৰ ১২ ডিচেম্বৰ পৰ্যন্ত টাটা ছন্সৰ অধ্যক্ষ আছিল। ২০১২ চনৰ ২৯ ডিচেম্বৰত ৰতন টাটাক টাটা ছন্স, টাটা ইণ্ডাষ্ট্ৰিজ, টাটা মটৰছ, টাটা ষ্টিল আৰু টাটা কেমিকেলছৰ আজীৱন অধ্যক্ষৰ উপাধিৰে সন্মানিত কৰা হৈছিল। ভাৰতৰ সবাতোকৈ প্ৰসিদ্ধ উদ্যোগপতিসকলৰ অন্যতম ৰতন টাটাই ২ দশকৰো অধিক সময় ধৰি টাট ছন্সৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। তেওঁ টাটা ন্যাসৰ জৰিয়তে লোকহিতৈষী অনেক কামত ভাগ লৈছিল। তেওঁক ২০০০ চনত পদ্মভূষণ আৰু ২০০৮ চনত পদ্মবিভূষণসহ অনেক সন্মানেৰে বিভূষিত কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা শোকবাৰ্তাত কৈছে যে, ৰতন টাটাৰ বিয়োগত দেশে উদ্যোগিক বিকাশত ৰাষ্ট্ৰ নিৰ্মাণ আৰু উৎকৃষ্টতাক নৈতিকতাৰ সৈতে সংযোজিত কৰা এগৰাকী মহান ব্যক্তিক হেৰুৱালে। তেওঁ কয় যে, ৰতন টাটাই টাটাৰ মহান ঐতিহ্যক আগুৱাই লৈ গৈছিল আৰু ইয়াক সমগ্ৰ বিশ্বত অধিক কাৰ্যকৰী কৰি তুলিছিল। ৰতন টাটাই ব্যৱসায়ী আৰু যুৱ বিদ্যাৰ্থীসকলক সমানেই অনুপ্ৰাণিত কৰি আহিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নিজৰ শোকবাৰ্তাত কয় যে, ৰতন টাটাৰ বিয়োগে তেওঁ ব্যথিত কৰি তুলিছে। তেওঁ কয় যে, ৰতন টাটা ভাৰতীয় উদ্যোগ জগতৰ মহান ব্যক্তি আছিল আৰু  এখন আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁ আগবঢ়োৱা অৱদান দেশ-বিদেশৰ উদ্যোগপতিসকলৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম যোগে কয় যে, ৰতন টাটাৰ মৃত্যুয়ে তেওঁক দুখিত কৰিছে। ৰতন টাটাৰ সৈতে হোৱা কথোপকথনৰ কথা স্মৰণ কৰি শ্ৰীমোদীয়ে কয় যে, তেওঁৰ দৃষ্টিভংগী অতিকে বিশাল আছিল। শ্ৰীমোদীয়ে কয় যে, ৰতন টাটাৰ কিবা এটা ডাঙৰ কৰা আৰু সমাজক ঘূৰাই দিয়াৰ অপাৰ আগ্ৰহ আছিল। টাটাই শিক্ষা, স্বাস্থ্যসেৱা, অনাময় আৰু পশুধনৰ কল্যাণৰ লেখীয়া ক্ষেত্ৰসমূহত অগ্ৰণী ভূমিকা পালন কৰি থৈ গৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ৰতন টাটাই ভাৰতৰ সবাতোকৈ পুৰণি আৰু প্ৰতিষ্ঠিত ব্যৱসায়িক গোষ্ঠীক সুস্থিৰ নেতৃত্ব প্ৰদান কৰিছিল।

গৃহমন্ত্ৰী অমিত শ্বাহেও ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে। শ্ৰীশ্বাহে সামাজিক মাধ্যম যোগে কৈছে যে, ৰতন টাটাই দেশৰ উন্নয়নৰ বাবে নিস্বাৰ্থভাৱে জীৱন উৎসৰ্গা কৰি থৈ গৈছে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ যেতিয়াই টাটাক দেখা কৰিছিল তেতিয়াই তেওঁৰ মাজত দেশ আৰু জনসাধাৰণৰ উন্নয়নৰ বাবে কিবা এটা কৰাৰ উৎসাহ-উদ্দীপনা দেখা পাইছিল।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এটা শোকবাৰ্তাত কৈছে যে, ৰতন টাটা অৰ্থ ব্যৱস্থাৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

মহাৰাষ্ট্ৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ আৰু অজিত পাৱাৰেও ৰতন টাটাৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰিছে।

০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফলো কৰিব পাৰে।

০০০০০

ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰু-এৰ এখন খেলত ভাৰতে যোৱানিশা শ্ৰীলংকাক ৮২ ৰানত পৰাস্ত কৰে। ৰানৰ দিশৰ পৰা মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত ভাৰতৰ এয়া সৰ্ববৃহৎ জয়। ভাৰতে কালি এই জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত ৰান ৰেটৰ আধাৰত পাকিস্তান আৰু নিউজিলেণ্ডক চেৰ পেলাবলৈ সক্ষম হৈছে। ভাৰতে খেলখনত প্ৰথমে বেট ধৰি হৰমনপ্ৰীত কৌৰ আৰু স্মৃতি মান্ধানাৰ অৰ্ধ শতকৰ সহায়ত ১৭২ ৰান কৰে। স্মৃতি মান্ধানাই ৫০ ৰান কৰাৰ বিপৰীতে হৰমনপ্ৰীত কৌৰে ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৯ অ'ভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৯০ ৰান কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশ ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে দেৱী বন্দনাৰে চৌদিশ মুখৰ হোৱাৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে মুখ্য বাতৰিত স্থান দিছে। মুম্বাইৰ ব্ৰীছকেণ্ডী হাস্পতালত ৮৬ বছৰ বয়সত ৰটন টাটাৰ দেহাৱসানৰ বাতৰিক দৈনিক জনমভূমি কাকতে সমাজ হিতৈষী উদ্যোগপতি ৰটন টাটাৰ দেহাৱসান শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। আমেৰিকাৰ ডেভিদ বেকাৰ, জন এম জাম্পাৰ আৰু ব্ৰিটেইনৰ ডেনিছ্ হাছাবিচলৈ ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা বাতৰিয়েও আজিৰ কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে। অসমীয়া প্ৰতিদিন কাকতে আমেৰিকা-লণ্ডনৰ তিনি বিজ্ঞানীলৈ ৰসায়ন বিজ্ঞানৰ ন'বেল, ন'বেল জয়ী ডেভিদ বেকাৰৰ গৱেষণাৰ সহযোগী অসমৰ ৰুবুল মাউট শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৰাজ্য চৰকাৰৰ কালি অনুষ্ঠিত কেবিনেট বৈঠকত ১৯৭১ চনৰ ২১ মাৰ্চৰ পূৰ্বৰ শৰণাৰ্থীৰ প্ৰমাণ পত্ৰ থকা লোকসকলে বাধ্যতামূলক তিনি প্ৰজন্ম ধৰি বসবাস কৰি থকাৰ প্ৰমাণ পত্ৰ নোহোৱাকৈয়ে ভূমি পট্টা লাভৰ বাবে লোৱা সিদ্ধান্তৰ বাতৰিক দৈনিক অসম কাকতে হিন্দু-বাংলাদেশীয়েও পাব ভূমি পট্টা শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি পৰিৱেশন কৰিছে।

দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে হাড়গিলা দা গ্ৰেটাৰ এডজাটেণ্ট ষ্টৰ্ক ছবিখনৰ বাবে ৰাষ্ট্ৰীয় বঁটা গ্ৰহণ কৰি অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চৰ মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তই বঁটাটোক পূৰ্ণিমা দেৱী বৰ্মনৰ হাড়গিলা আৰ্মীলৈ উৎসৰ্গা কৰা বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পবিতৰা অভয়াৰণ্যৰ আশে পাশে গঢ় লৈ উঠা ঔদ্যোগিক প্ৰতিষ্ঠানে সৃষ্টি কৰা প্ৰদূষণক লৈ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণ উদ্বিগ্ন হৈ পৰা বুলি এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অৰুণাচল প্ৰদেশৰ চেচা পাহাৰৰ লগতে পাৰ্শ্ববৰ্তী অঞ্চলত অব্যাহত থকা মুষলধাৰ বৰষুণৰ ফলত ৰাজ্যখনৰ পাহাৰৰ পৰা বৈ অহা পানীয়ে লখিমপুৰ জিলাৰ বৃহৎ অঞ্চলত বানৰ সৃষ্টি কৰা বাতৰিক নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২০২৮ চনৰ ডিচেম্বৰলৈ দেশৰ দৰিদ্ৰ লোকসকলক বিনামূলীয়া চাউল প্ৰদানৰ বাবে কেন্দ্ৰীয় কেবিনেটে গৰীৱ কল্যাণ অন্ন যোজনাৰ ম্যাদ বৃদ্ধি কৰাৰ বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুৱাহাটীত ই এছ আই চি চিকিৎসা মহাবিদ্যালয় স্থাপনত কেন্দ্ৰই অনুমোদন জনোৱা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আনহাতে গুৱাহাটী মহানগৰীত বান প্ৰতিৰোধৰ বাবে চৰকাৰে ২০০ কোটি টকাৰ প্ৰকল্প গ্ৰহণ কৰা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা বাতৰিক দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০

**সমাপ্ত**